# স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন আৰু লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

[ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অসমীয়া বিভাগৰ অধীনত পি.এইচ. ডি. ডিগ্ৰীৰ বাবে প্ৰদত্ত গৱেষণা-গ্ৰন্থ ]

**চাণক্য বৈশ্য**
**অসমীয়া বিভাগ**
**বড়োলেণ্ড বিশ্ববিদ্যালয়**
**২০২০**

# SNEHADEVIR GALPAT GRAMYA JIWAN ARU LOKĀCHĀR : EK BIŚHLEṢANĀTMAK ADHYAYAN

[ A THESIS SUBMITTED TO THE DEPARTMENT OF ASSAMESE FOR

THE DEGREE DOCTOR OF PHILOSOPHY

IN THE FACULTY OF LANGUAGE UNDER

BODOLAND UNIVERSITY ]


**SUBMITTED BY :**

**CHANAKYA BAISHYA**

RESEARCH SCHOLAR

DEPARTMENT OF ASSAMESE

BODOLAND UNIVERSITY

ENROLLMENT NO. 04/2015

B.U. REGISTRATION NO. 003596 OF 2015-16

FINAL REGISTRATION NO. FINAL/01ASS0010 OF 2015-16

**UNDER THE SUPERVISION OF**

**DR. BIBHUTI LOCHAN SARMA**

ASSTT. PROFESSOR, DEPARTMENT OF ASSAMESE

BODOLAND UNIVERSITY, KOKRAJHAR

# উপসংহাৰ

এই গৱেষণা-গ্ৰন্থত বিশেষকৈ স্নেহ দেৱীৰ গল্প সমূহত গ্ৰাম্য জীৱন আৰু তেওঁৰ গল্পত প্ৰতিফলিত লোকাচাৰসমূহৰ বিষয়ে বিশ্লেষণাত্মক পদ্ধতিৰে পৰ্যালোচনা কৰিবলৈ চেষ্টা কৰা হৈছে। মাত্ৰ পঞ্চম শ্ৰেণীলৈকে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰা স্নেহ দেৱীয়ে নিজৰ অহোপুৰুষাৰ্থ আৰু অধ্যাৱসায়ৰ বাবে এগৰাকী সফল লেখিকা ৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। অতি ব্যস্ততাপূৰ্ণ জীৱনটোৰ মাজতো নিজে বিভিন্ন গল্প পুথি, আলোচনী আদি অধ্যয়ন কৰি তাৰ মাজতে আকৌ সময় উলিয়াই সাহিত্য-চৰ্চা কৰি অসমীয়া সাহিত্যৰ এক জটিল সময়ত নিজকে প্ৰতিষ্ঠা কৰিছে। তেওঁ যিখিনি সময়ত সাহিত্য জগতত আত্ম প্ৰকাশ কৰিছে, সেইখিনি সময়ত মহিলা লেখিকাৰ সংখ্যা তেনেই নগণ্য আছিল। ইয়াৰ মূল কাৰণ হয়তো স্ত্ৰী শিক্ষাৰ অনগ্ৰসৰতা। ছোৱালীৰ মুক্তভাৱে শিক্ষা গ্ৰহণৰ সামাজিক মান্যতাৰ অভাৱ তথা বাল্য বিৱাহ হোৱাৰ বাবে নাৰী সমাজে শিক্ষা গ্ৰহণৰ স্বামীগৃহৰ অনুমতিৰ অভাৱ আদিৰ বাবে তদানীন্তন সমাজ ব্যৱস্থাত নাৰীৰ শিক্ষা ব্যৱস্থা অতিশয় দৈন্যতাৰে পৰিপূৰ্ণ আছিল। এইবাবেই হয়তো সেই সময়ছোৱাত পুৰুষ লেখক আৰু নাৰী লেখিকা সকলৰ মাজত এক বৌদ্ধিক ব্যৱধান লক্ষ্য কৰিব পাৰি। তথাপিও বঙ্গৰ আশাপূৰ্ণা দেৱীৰ দৰে স্নেহ দেৱীয়েও ওলাই আহিছিল সমসাময়িক সমাজখনক প্ৰতিবিম্বিত কৰাৰ অৰ্থে।

নাৰীৰ চৰিত্ৰৰ মাজেৰে তদানীন্তন সমাজখনৰ নাৰীৰ বিভিন্ন সমস্যা, নাৰীৰ ইচ্ছা, আকাংক্ষা, নাৰীৰ মানসিক জগতখনৰ গোপন কথা সমূহ প্ৰতিবিম্বিত কৰাই আছিল স্নেহ দেৱীৰ উদ্দেশ্য। সেয়ে তেওঁৰ গল্পসমূহত নাৰী চৰিত্ৰই প্ৰাধান্য বিস্তাৰ কৰিছে। তেখেতে লগ পোৱা নাৰীসকলৰ মনৰ কথাই তেওঁৰ গল্পৰ মূল বিষয়। স্নেহ দেৱীৰ সমসাময়িক সমাজখন পুৰুষ তান্ত্ৰিক যদিও নাৰী অৱহেলিত নাছিল। পুৰুষৰ সমানে সমানে পাৰিবাৰিক জীৱন, সামাজিক জীৱন বা সাংস্কৃতিক জীৱনত সহযোগ কৰিছিল। এইবোৰ অতি সহজ ভাৱে গল্পত প্ৰতিফলিত হৈছে যদিও আজিৰ মহিলা গল্পকাৰে যিদৰে নিসংকোচে গল্পত সমাজ জীৱনক উপস্থাপন কৰিব পাৰে স্নেহ দেৱীৰ সময়ত সেয়া সম্ভৱ নাছিল, কাৰণ তাৰ বাবে প্ৰতিভাতকৈ জগৰীয়া আছিল সমাজ জীৱন। স্নেহ দেৱীৰ গল্পবোৰ পঢ়িলে এনে কথাবোৰ অনুভৱ হয়।

স্নেহ দেৱীৰ বেছিভাগ গল্পই মানুহৰ গৃহস্থী জীৱনৰ ওপৰতেই ৰচিত। মানুহৰ পাৰিবাৰিক জীৱনৰ সুখ-সুখ, হাঁহি কান্দোন, অভাৱ-অনাটন সকলো দিশেই গল্পবোৰত প্ৰতিফলিত হৈছে। মানুহৰ প্ৰেম, ভালপোৱা, চেতন-অৱচেতন মনৰ খবৰো গল্পবোৰে দিছে। মহিলা লেখিকা হিচাপে সমসাময়িক নাৰীৰ বিভিন্ন কথা গল্পবোৰত প্ৰতিফলিত হৈছে। এখেতৰ গল্পত নাৰীৰ নেতিবাচক দৃষ্টিভংগীৰো প্ৰকাশ ঘটিছে। পৰম্পৰাৰ পৰা বিচ্যুতি ঘটা নাৰীক সমাজৰ বেলেগ নাৰীয়ে সহ্য কৰিবলৈ টান পায়। নাৰীৰ মানসিক জগতখনো গল্পবোৰত প্ৰতিফলিত হৈছে, মুঠতে নাৰী চৰিত্ৰ অংকনত গল্পকাৰে কৃতকাৰ্যতা লাভ কৰিছে।

এই গৱেষণা-গ্ৰন্থখন প্ৰস্তুত কৰিবলৈ স্নেহ দেৱী ৰচিত গল্পসমূহকেই লোৱা হৈছে যদিও হাতৰ মুঠিত পোৱা গল্পকেইটাহে আলোচনা কৰা হৈছে। বিশেষকৈ তেওঁৰ গল্পপুথি চাৰিখন— *কৃষ্ণা দ্বিতীয়াৰ জোনাক, ২) স্নেহ দেৱীৰ গল্প, ৩) স্নেহ দেৱীৰ শ্ৰেষ্ঠ গল্প আৰু ৪) স্নেহ দেৱীৰ একুঁকি গল্প।* ২০০১ চনত অন্নদা শইকীয়া সম্পাদিত *‘স্নেহ দেৱীৰ ৰচনা সম্ভাৰ’*ত এই চাৰিখনত বাদে অন্য সন্নিৱিষ্ট গল্পসমূহক আলোচনাৰ মুখ্য সমল হিচাপে লোৱা হৈছে। বাকী যিখিনি হাতৰ মুঠিত পোৱা নগ'ল সেইবোৰৰ আলোচনা সম্ভৱ নহ'ল। মুঠ ৮৫টা গল্প আৰু ৯টা সাধুকথাই এই গৱেষণা-গ্ৰন্থৰ মুখ্য সমল। গল্পবোৰ অধ্যয়ন কৰি সেই গল্পসমূহৰ আলোচনা এই গ্ৰন্থত সন্নিৱিষ্ট বিভিন্ন অধ্যায়সমূহত আলোচনা কৰা হৈছে।

গৱেষণা-গ্ৰন্থখন মুঠ পাঁচটা অধ্যায়ত বিভাজন কৰি আলোচনা কৰা হৈছে। অধ্যায়সমূহ হ'ল—

১) প্ৰথম অধ্যায় ঃ স্নেহ দেৱী আৰু অসমীয়া চুটিগল্প।

২) দ্বিতীয় অধ্যায়ঃ স্নেহ দেৱীৰ গল্পত গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰ।

৩) তৃতীয় অধ্যায় ঃ স্নেহ দেৱীৰ গল্পত লোকসাংস্কৃতিক উপাদান।

৪) চতুৰ্থ অধ্যায় ঃ স্নেহ দেৱীৰ গল্পত গ্ৰাম্য নাৰীৰ ভূমিকা

৫) পঞ্চম অধ্যায় ঃ সাম্প্ৰতিক সমাজ জীৱনত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব।

প্ৰথম অধ্যায়ৰ **স্নেহ দেৱী আৰু অসমীয়া চুটিগল্প** ক চাৰিটা উপ অধ্যায়ত আলোচনা কৰা হৈছে। প্ৰথমতে *‘স্নেহ দেৱীৰ জীৱন’*ত তেখেতৰ জীৱনী আৰু জীৱন কালৰ বিভিন্ন কৰ্ম সম্পৰ্কে এক আভাস দিয়া হৈছে। দ্বিতীয়তে *‘স্নেহ দেৱীৰ সাহিত্যকৰ্ম’*ত তেখেতে ৰচনা কৰা সাহিত্যসমূহ, প্ৰকাশৰ সময়, চুটিগল্পৰ লগতে কবিতা, নাটক আদিৰ বিৱৰণ এই আলোচনাত সন্নিৱিষ্ট কৰা হৈছে। তৃতীয়তে *‘অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশ’*ত অসমীয়া চুটিগল্পৰ উদ্ভৱ, বিকাশ সম্পৰ্কে বিস্তৃত

আলোচনা আগবঢ়োৱা হৈছে। চতুৰ্থতে *‘ৰামধেনু যুগৰ চুটিগল্প আৰু স্নেহ দেৱীৰ জীৱন দৰ্শন’*ত ৰামধেনু যুগৰ গল্পৰ আভাস দিবলৈ চেষ্টা কৰা হৈছে। স্নেহ দেৱী যিহেতু ৰামধেনু যুগৰ চুটি গল্পকাৰ সেয়ে সেই যুগৰ গল্পৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জনাৰ প্ৰয়োজন আছে। সেই বৈশিষ্টবোৰ এখেতৰ গল্পত প্ৰতিফলিত হৈছে নে নাই সেই সম্পৰ্কেও আলোচনা কৰা হৈছে লগতে স্নেহ দেৱীৰ গল্পবোৰত তেখেতৰ জীৱন দৰ্শন কিদৰে প্ৰতিফলিত হৈছে সেই সম্পৰ্কেও আলোচনা কৰা হৈছে। এই অধ্যায়টোত স্নেহ দেৱীৰ ব্যক্তিগত জীৱনৰ বিভিন্ন কথা জানিবলৈ পোৱাৰ উপৰিও তেখেত যে এগৰাকী কৰ্মনিষ্ঠ, আধ্যাত্মিক ভাৱ পৰায়ণা, মানৱদৰদী এগৰাকী সফল গৃহিণী আৰু অধ্যয়ন পিপাসু মহিলা যে আছিল সেই কথাৰ প্ৰমাণ পোৱা যায়। ৰামধেনু যুগৰ মহিলা লেখিকাৰ মাইলৰ খুটা হিচাপেও তেখেতক বিবেচনা কৰিব পাৰি। কাৰণ বিংশ শতিকাৰ পঞ্চাশ ষাঠিৰ দশকত স্নেহ দেৱীৰ বাহিৰে আন সফল মহিলা লেখিকা নাছিল। তেখেতে সাহিত্য চৰ্চা নকৰিলে বোধহয় সেইখিনি সময় মহিলা লেখিকা শূণ্য হৈ থাকিল হেঁতেন।

দ্বিতীয় অধ্যায়টো **‘স্নেহ দেৱীৰ গল্পত গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰ’** বুলি নামকৰণ কৰা হৈছে। এই অধ্যায়টো চাৰিটা উপঅধ্যায়ত ভাগ কৰা হৈছে। *‘স্নেহ দেৱীৰ গল্পত গ্ৰাম্য জীৱন’*নামৰ প্ৰথম উপ অধ্যয়ত স্নেহ দেৱীৰ গল্প সমূহত যিবোৰত গ্ৰাম্য জীৱন প্ৰতিফলিত হৈছে সেই গল্পসমূহ আলোচনা কৰা হৈছে। আলোচনা কৰা গল্পবোৰত বিশেষকৈ গাওঁৰ পটভূমিত ৰচনা কৰাৰ উপৰিও চৰিত্ৰসমূহতো গ্ৰাম্যতা বিদ্যমান। এনে গল্পবোৰৰ পটভূমি যান্ত্ৰিকতাৰ পৰা বহু আতৰত অৱস্থান কৰিছে। এই গল্পবোৰ অধ্যয়ন কৰিলে এখন জটিলতা হীন পৃথিৱীত বাস কৰা যেন লাগে। বেচিভাগ চৰিত্ৰ সৰল, পৰোপকাৰী আৰু কুটিলতাহীন। গল্পবোৰত তেতিয়াৰ সমাজখনৰ হুবহু প্ৰতিচ্ছৱি চিত্ৰিত হৈছে। *‘স্নেহ দেৱীৰ গল্পত সমকালীন সামাজিক প্ৰেক্ষাপট’* নামৰ দ্বিতীয় উপ অধ্যায়ত ৰচিত গল্পবোৰত প্ৰতিফলিত সমাজখনৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক অৱস্থাৰ বিশ্লেষণ কৰা হৈছে। সেইখিনি সময়ৰ সমাজ ব্যৱস্থা, মানুহবিলাকৰ অৰ্থনৈতিক অৱস্থা, ৰাজনৈতিক ক্ষেত্ৰখনৰ লগতে তেওঁলোকৰ সাংস্কৃতিক জীৱনৰো কিছু আভাস দিবলৈ চেষ্টা কৰা হৈছে। তেখেতৰ বেছিভাগ গল্পত দেখা গৈছে সেই সময়ৰ মানুহবোৰ অৰ্থনৈতিক ভাৱে সিমান স্বচ্ছল নাছিল। বেছিভাগেই কৃষক, শ্ৰমিক, কাৰখানাৰ মিস্ত্ৰী বা সৰু চাকৰিয়ালৰ চৰিত্ৰই গল্পবোৰত প্ৰাধান্য পাইছে। কিছুমান গল্পত চৰিত্ৰবোৰে দুবেলা দুমুঠিৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। ক’ৰবাত আকৌ চৰিত্ৰবোৰে লিচু, সুমথিৰা, চাউল আদি বিক্ৰী কৰিবলগীয়া হৈছে। *‘স্নেহ দেৱীৰ গল্পত গ্ৰাম্য চৰিত্ৰৰ চিত্ৰণ’* নামেৰে তৃতীয় উপ অধ্যায়ত প্ৰাপ্ত গল্পসমূহৰ মূল চৰিত্ৰসমূহৰ তালিকা প্ৰস্তুত কৰি,

চৰিত্ৰসমূহৰ জীৱিকা, কেনে ধৰণৰ চৰিত্ৰ সেইবোৰৰ আভাস দিবলৈ যত্ন কৰা হৈছে। আদৰ্শবান চৰিত্ৰ, আদৰ্শহীন বা সুবিধাবাদী চৰিত্ৰ, পৰোপকাৰী চৰিত্ৰ আৰু প্ৰতিবাদী চৰিত্ৰ আদি ভাগত ভাগ কৰি আলোচনা কৰা হৈছে। তেওঁৰ গল্পত নাৰী চৰিত্ৰৰ প্ৰাধান্য বেছি। পুৰুষ চৰিত্ৰবোৰতকৈ নাৰী চৰিত্ৰসমূহকে বেছি কৰ্মঠ দেখা যায়, সেয়ে চৰিত্ৰসমূহ বেছিভাগেই আদৰ্শবান চৰিত্ৰ হিচাপে প্ৰতিপন্ন কৰা হৈছে। আদৰ্শহীন চৰিত্ৰ কম যদিও গল্পৰ কাহিনীক আগুৱাই নিবলৈ কিছুমান আদৰ্শহীন চৰিত্ৰৰ সৃষ্টি কৰিছে। গল্পকাৰৰ আকৌ সেই আদৰ্শহীন চৰিত্ৰবোৰৰ প্ৰতিও সহানুভূতিও দেখা যায়। গল্পবোৰৰ শেষৰ ফালে সেই আদৰ্শ বিচ্যুত চৰিত্ৰবোৰক আদৰ্শৰ মাজলৈ টানি আনি তেওঁলোকৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিছে। তেখেতৰ গল্পত পৰোপকাৰী চৰিত্ৰৰ সংখ্যাও কম নহয়। কিছুমান চৰিত্ৰই আনক উপকাৰ কৰি আনন্দিত হৈছে। কিছুমান আকৌ আনক কৰা উপকাৰৰ ফলশ্ৰুতিত লাভ কৰিছে লঘু, লাঞ্চনা আৰু অপবাদ। তথাপিও এনে চৰিত্ৰসমূহৰ যেন কোনো আক্ষেপ নাই। আনক উপকাৰ কৰিয়েই নিজকে সুখী অনুভৱ কৰিছে। প্ৰতিবাদী চৰিত্ৰৰ সংখ্যা কম হ'লেও গল্পসমূহত প্ৰতিবাদ আছে। তদানীন্তন পুৰুষতান্ত্ৰিক সমাজখনত কিছুমান নাৰীয়ে প্ৰকাশ্যে প্ৰতিবাদ কৰিব নোৱাৰি নীৰৱে প্ৰতিবাদ কৰিছে। কিছুমান সাহসী চৰিত্ৰই প্ৰকাশ্যেই প্ৰতিবাদ ঘোষণা কৰিছে। কিছুমানে নাৰী চৰিত্ৰই মুক্তিৰ হকে মাত মাতিছে। *'স্নেহ দেৱীৰ গল্পত গ্ৰাম্য প্ৰকৃতিৰ চিত্ৰণ'* নামৰ চতুৰ্থ তথা শেষ উপঅধ্যায়ত বিশেষকৈ এখেতৰ গল্পবোৰত প্ৰকাশ পোৱা নৈসৰ্গিক বৰ্ণনাসমূহ বিশ্লেষণ কৰা হৈছে। নৈ, জান, জুৰি, পাহাৰ-পৰ্বত, ধাননি পথাৰ, সূৰ্য্যউদয়ৰ মনোমোহা দৃশ্য, সূৰ্য্যাস্তৰ ৰাঙলী আভা আদি প্ৰকৃতিৰ মনোমোহা দৃশ্যবোৰ যে তেওঁৰ বিভিন্ন গল্পত প্ৰতিফলিত হৈছে সেইবোৰ বাচি লৈ এই উপঅধ্যায়ত আলোচনা কৰা হৈছে।

এই গৱেষণা-গ্ৰন্থৰ তৃতীয় অধ্যায়টো— **'স্নেহ দেৱীৰ গল্পত লোকসাংস্কৃতিক উপাদান'** শীৰ্ষক নামেৰে তেওঁৰ গল্পত প্ৰতিফলিত হোৱা লোকসংস্কৃতিৰ দিশটো আলোচনা কৰা হৈছে। এই অধ্যায়টো চাৰিটা উপঅধ্যায়ত ভাগ কৰা হৈছে। প্ৰথমটো হ'ল—*'স্নেহ দেৱীৰ গল্পত মৌখিক সাহিত্য'*। ইয়াত বিশেষকৈ তেওঁ অকণি চ'ৰাৰ বাবে ৰচিত সাধুকথাসমূহৰ আলোচনা কৰাৰ লগতে গল্পবোৰত সন্নিৱিষ্ট হোৱা বিভিন্ন ফকৰা যোজনা, পটন্তৰ, নীতিবাক্য, খণ্ডবাক্য, প্ৰবচন, জতুৱা ঠাঁচ আদিৰ বিশ্লেষণ কৰা হৈছে। গল্পবোৰত প্ৰতিফলিত হোৱা লোক গীতবোৰৰো আলোচনা কৰা হৈছে। দ্বিতীয় উপ অধ্যায়টো হ'ল—*'স্নেহ দেৱীৰ গল্পত ভৌতিক সংস্কৃতি'*। ইয়াত অসমীয়া শিপিনীসকলৰ বোৱা-কটাৰ কথা, ধান বনাৰ কথা, আ-অলংকাৰৰ বৰ্ণনা, বাহঁৰ জেওৰা দিয়া, মাছ ধৰা সঁজুলি, জাকৈ, খালৈ, সোণৰ বালা, চিলাইৰ কাম, চিৰা-সান্দহ বনোৱা আদি দৃশ্য বা ভৌতিক

সংস্কৃতিৰ প্ৰতিফলন সমূহ বিশেষভাৱে আলোচনা কৰা হৈছে। তৃতীয় উপ অধ্যায়টো—*'স্নেহ দেৱীৰ গল্পত সামাজিক লোকাচাৰ'*ত বিশেষকৈ সমাজত প্ৰচলিত বিভিন্ন নিয়ম-নীতিসমূহক প্ৰতিফলিত কৰা হৈছে। স্নেহ দেৱীৰ গল্পত প্ৰকাশ পোৱা মঙল চোৱা, আহুদি কৰা, বশীকৰণ, ডাইনী আদি লোকাচাৰৰ লগতে বিভিন্ন অন্ধ বিশ্বাস কুসংস্কাৰৰো প্ৰতিফলন ঘটিছে। তেওঁৰ গল্পত ব'হাগ বিহু, মাঘ বিহুৰ বৰ্ণনাৰ লগতে বিয়াঘৰৰ দৃশ্যও প্ৰতিফলিত হৈছে। গ্ৰাম্য সমাজত ব্যৱহৃত বিভিন্ন বনৌষধি, জৰা-ফুকা, আয়ুতোলা আদি লোকাচাৰবোৰো এওঁৰ গল্পত দেখা যায়। বোৱাৰী পুৱাতেই উঠি চোতাল সৰা কথাৰ বৰ্ণনাও গল্পবোৰত পোৱা যায়। গৰ্ভ ধাৰণৰ সময়ত অসমীয়া সমাজত প্ৰচলিত নিয়ম নীতিও এওঁৰ গল্পত লক্ষ্য কৰিব পাৰি। ইয়াৰ উপৰিও ভূত-প্ৰেতৰ বিশ্বাসো কিছুমান গল্পত প্ৰতিফলিত হৈছে। এই অধ্যায়ৰ চতুৰ্থ উপ অধ্যায়টো হ'ল— *'স্নেহ দেৱীৰ গল্পত লোক পৰিৱেশ্য কলা'*। লোক পৰিৱেশ্য কলাৰ বিশেষ প্ৰাধান্য গল্পবোৰত নাই যদিও কেইটামান গল্পত কিছু পৰিমানে প্ৰতিফলিত হোৱা দেখা যায়। যেনে—*'অন্তৰালত'* গল্পত—দুৰ্গা পূজাৰ আৰতি, *'অপৰাধবোধ'* গল্পত থিয়েটাৰৰ কথা, *'দিবাস্বপ্ন'* গল্পত নৃত্যগীতৰ বৰ্ণনা, *'জোৱাৰৰ পিছত'* গল্পত ঢাক, ঢোল, থিয়েটাৰৰ বৰ্ণনা ইত্যাদি। এইদৰে এই অধ্যায়টোত স্নেহ দেৱীৰ গল্পত প্ৰতিফলিত হোৱা বিভিন্ন লোকসাংস্কৃতিক উপাদানবোৰ বিশ্লেষণ কৰা হৈছে।

এই গৱেষণা-গ্ৰন্থৰ চতুৰ্থ অধ্যায়টো হ'ল—**'স্নেহ দেৱীৰ গল্পত গ্ৰাম্য নাৰীৰ ভূমিকা'** স্নেহ দেৱী যিহেতু মহিলা লেখিকা সেয়ে তেওঁৰ গল্পত নাৰী চৰিত্ৰই প্ৰাধান্য বিস্তাৰ কৰিছে। নাৰীৰ বিভিন্ন দিশসমূহ গল্পবোৰত বিশ্লেষিত হৈছে। এই অধ্যায়টোকো চাৰিটা উপ অধ্যায়ত ভাগ কৰি আলোচনা কৰা হৈছে। প্ৰথম উপ অধ্যায় *"স্নেহ দেৱীৰ গল্পৰ গ্ৰাম্য নাৰী'*ত বিশেষকৈ তেওঁৰ গল্পবোৰত নাৰীৰ বিভিন্ন চাৰিত্ৰিক দিশবোৰৰ আলোচনা কৰা হৈছে। তেওঁৰ গল্পৰ নাৰী চৰিত্ৰসমূহে সেই সময়ৰ ৰক্ষণশীল সমাজখনত কেনেদৰে চলিব লগা হৈছিল সেই কথা গল্পকাৰৰ ভাষাৰে বিশ্লেষণ কৰা হৈছে। স্নেহ দেৱীৰ গল্পৰ নাৰী চৰিত্ৰই নিজৰ সতীত্ব আৰু চৰিত্ৰ সম্পৰ্কে সচেতন হোৱাও লক্ষ্য কৰিব পাৰি। তেওঁৰ গল্পৰ নাৰী চৰিত্ৰসমূহ বিভিন্ন গুণেৰে বিভূষিতা। যেনে—ধৈৰ্য্যশীলা, পতিব্ৰতা, মৰমিয়াল, কষ্টসহিষ্ণু, সংবেদনশীল, পাৰিবাৰিক অভিজ্ঞতা সম্পন্ন ইত্যাদি। কিছুমান গল্পত স্খলিত নাৰী চৰিত্ৰৰ চিত্ৰ অংকন কৰিছে যদিও প্ৰায়বোৰ গল্পৰ শেষত সেইবোৰ সংশোধন হোৱাও লক্ষ্য কৰিব পাৰি। দ্বিতীয় উপ অধ্যায়টো হ'ল—*"স্নেহ দেৱীৰ গল্পত গ্ৰাম্য নাৰীৰ মানসিকতা"*। এই অধ্যায়টোত বিশেষকৈ ফ্ৰয়ডীয় মনস্তত্বৰ প্ৰভাৱ, নাৰীৰ গোপন কামনা-বাসনা, বৈধব্য-যন্ত্ৰণা, সন্দেহ আদিৰ উপৰিও কিছুমান নাৰী চৰিত্ৰ মানসিক ভাৱে দুৰ্বল আৰু প্ৰতিবাদ

কৰিব নজনা হিচাপে অংকন কৰা হৈছে। এই অধ্যায়ৰ তৃতীয় উপ অধ্যায়ত *"স্নেহ দেৱীৰ গল্পত গ্ৰাম্য নাৰীৰ সৰলতা আৰু কুটিলতা"*নামেৰে নাৰীৰ দুই ধৰণৰ চাৰিত্ৰিক দিশৰ প্ৰতিফলন কৰিবলৈ যত্ন কৰা হৈছে। তেওঁৰ গল্পৰ সৰল নাৰী চৰিত্ৰবোৰ একেবাৰেই হোজা, সৰহ-সৰল আৰু পৰোপকাৰী। কিছুমান চৰিত্ৰ আকৌ পুৰুষতান্ত্ৰিক সমাজখনৰ পুৰুষ বা স্বামীৰ পৰা মানসিক নিৰ্যাতন পালেও ধৈৰ্য্য-সহকাৰে নীৰৱে সেইবোৰ হজম কৰি লৈছে। তেওঁলোকৰ এনে আদৰ্শই স্বামীক পুনৰ সঠিক পথলৈ ঘূৰাই আনিব পাৰিছে। তেওঁৰ গল্পৰ সৰল নাৰী চৰিত্ৰসমূহ পতিভক্তা সন্তান বৎসল, শান্ত। এনে অলেখ সৰল নাৰী-চৰিত্ৰ তেওঁৰ গল্পত বিদ্যমান। স্নেহ দেৱীৰ গল্পৰ কুটিল নাৰী চৰিত্ৰসমূহে পৰচৰ্চা, পৰনিন্দা কৰাৰ উপৰিও আনৰ সংসাৰত জুই জ্বলাবলৈও কুণ্ঠাবোধ নকৰে। ইয়াৰ উপৰিও কিছুমান নাৰীৰ পৰকীয়া প্ৰেম, দণ্ডুৰী, মুখৰা, জেদী, আধুনিকতাৰ নামত অমাৰ্জিত আচৰণ আৰু নিষ্ঠুৰ প্ৰকৃতিৰ চৰিত্ৰবোৰক কুটিল চৰিত্ৰ হিচাপে অংকন কৰা হৈছে। চতুৰ্থ অধ্যায়ৰ চতুৰ্থ উপ অধ্যায়— *"স্নেহ দেৱীৰ গল্পত নাৰীৰ সামাজিক মৰ্য্যাদা"*ত বিশেষকৈ সমাজ জীৱনত নাৰীৰ অৰিহণাক বিশেষ অগ্ৰাধিকাৰ দিয়া হৈছে। পাৰিবাৰিক জীৱনত নাৰীয়ে পুৰুষক বিভিন্ন ধৰণে সহায় কৰি যায়। শাৰিৰীক আৰু মানসিক সকলো দিশতেই নাৰীয়ে পুৰুষক সহায় কৰে। এওঁৰ গল্পত পৰম্পৰাই আনি দিয়া অন্ধবিশ্বাসকো নাৰীয়ে সহজেই মানি লয়। পাশ্চাত্য প্ৰভাৱে আনি দিয়া আধুনিকতাৰ নামত অন্তসাৰ শূণ্যতা, নাৰীৰ অবাধ বিচৰণ, অমাৰ্জিত আচৰণ আদিৰ সমৰ্থন গল্পকাৰে কৰা নাই। গল্পবোৰত নাৰীৰ প্ৰগতিবাদী চিন্তা ধাৰাও প্ৰকাশ পাইছে।

এই গৱেষণা-গ্ৰন্থৰ পঞ্চম অধ্যায়টো হ'ল—'**সাম্প্ৰতিক সমাজ জীৱনত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব**' এই অধ্যায়টোকো চাৰিটা উপ অধ্যায়ত ভাগ কৰি আলোচনা কৰা হৈছে। প্ৰথমতে *"স্নেহ দেৱীৰ গল্পত সমসাময়িক সামাজিক সমস্যা সমূহৰ প্ৰতিফলন"* শীৰ্ষক উপঅধ্যায়ত বিশেষকৈ তদানীন্তন সমাজৰ দৰিদ্ৰতাৰ লগতে সাধাৰণ শ্ৰেণীৰ মানুহে যে প্ৰকৃতিৰ ওপৰতো নিৰ্ভৰ কৰিবলগীয়া হয় সেই কথাও কিছুমান গল্পত ব্যক্ত কৰা হৈছে। ইয়াৰ উপৰিও প্ৰজন্মৰ ব্যৱধানত সৃষ্টি হোৱা বিভিন্ন সমস্যা কিছুমান গল্পত প্ৰতিফলিত হৈছে। নগৰকেন্দ্ৰীক জীৱন ধাৰাই গ্ৰাম্য জীৱনলৈ কঢ়িয়াই অনা ভাবুকি সম্পৰ্কেও আলোচনা কৰা হৈছে। দ্বিতীয় উপ অধ্যায়টো হ'ল— *"সাম্প্ৰতিক প্ৰেক্ষাপটত স্নেহ দেৱীৰ গল্পৰ গুৰুত্ব"* । ইয়াত বিশেষকৈ কিছুমান গল্পত নাৰীক ধৈৰ্যশীল, প্ৰতিবাদৰ ভাষা নজনা অজলা ৰূপত অংকন কৰিছে একমাত্ৰ নাৰী চৰিত্ৰক মহিমামণ্ডিত কৰিবলৈ। আনহাতে কিছুমানত আকৌ নাৰীৰ সবল স্থিতি, প্ৰতিবাদী ৰূপ আৰু প্ৰগতিবাদী চিন্তা ধাৰাও প্ৰকাশ পোৱা দেখা যায়। কিছুমান গল্পত নাৰী মনৰ ৰহস্যময়তা, জৈৱিক দুৰ্বলতা আদিৰ বাবে সকলো আদৰ্শৰ

জলাঞ্জলী দিয়াৰ দৃশ্যও প্ৰতিফলিত হোৱা দেখা যায়। তৃতীয় উপঅধ্যায়টো হ'ল—*"স্নেহ দেৱীৰ গল্প আৰু নিৰ্বাচিত গল্পকাৰৰ গল্পৰ তুলনামূলক আলোচনা"*। এই অধ্যায়টোত বিশেষকৈ পশ্চিমবঙ্গৰ বাংলা সাহিত্যিক আশাপূৰ্ণা দেৱী, ৰবীন্দ্ৰ নাথ ঠাকুৰৰ গল্পৰ অধ্যয়নে তেওঁলোকৰ গল্পৰ কিছু কাষ চপোৱাৰ বিশ্লেষণ দাঙি ধৰা হৈছে। ইয়াৰ উপৰিও অসমীয়া সাহিত্যৰ লক্ষ্মীনাথ বেজবৰুৱা, ৰমা দাস, হলীৰাম ডেকা, বীণা বৰুৱাৰ গল্পৰ লগত স্নেহ দেৱীৰ গল্পৰ এক তুলনামূলক বিশ্লেষণ কৰা হৈছে। চতুৰ্থ উপঅধ্যায়টো হ'ল—*"স্নেহ দেৱীৰ গল্পত প্ৰগতিশীল চিন্তা।"* ইয়াত বিশেষকৈ অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ প্ৰতি অনাস্থা, শোষণ, নিপীড়ন আদিৰ প্ৰতি প্ৰতিবাদ, মানৱীয় মূল্যবোধৰ অৱক্ষয়, সমাজৰ অৰ্থনৈতিক ভাবে দুৰ্বল শ্ৰেণীটোৰ জীৱন ধাৰণৰ শোকাৱহ অৱস্থা, নাৰী মুক্তিৰ প্ৰতিধ্বনি, সমাজৰ অশুভ শক্তিৰ প্ৰতি বিদ্বেষ আদি দিশবোৰ প্ৰতিফলিত হোৱা গল্পবোৰ বিচাৰি আলোচনা কৰা হৈছে। ৰামধেনু যুগতেই যিহেতু চুটিগল্পত প্ৰগতিশীল চিন্তাধাৰাই প্ৰসাৰ লাভ কৰিছিল সেয়ে এই উপঅধ্যায়টো ইয়াত সন্নিৱিষ্ট কৰা হৈছে।

এই গৱেষণা-গ্ৰন্থখন পাঁচটা অধ্যায়ৰ যদিও প্ৰতিটো অধ্যায়ত চাৰিটাকৈ উপঅধ্যায় সংযোজন কৰি মুঠ বিশটা উপঅধ্যায়ত সমাপ্ত কৰা হৈছে। স্নেহ দেৱীৰ গল্পবোৰ যদিও কিছু পুৰণি দৃষ্টিভংগীৰে ৰচিত তথাপি এইবোৰক নতুন দৃষ্টিভংগীৰে বিশ্লেষণ কৰাৰ চেষ্টা কৰা হৈছে। স্নেহ দেৱীৰ গল্পসমূহ অধ্যয়ন কৰি কিছুমান বিশেষ বিষয় দৃষ্টিগোচৰ হ'ল, সেইবোৰ হ'ল—

ক) স্নেহ দেৱীৰ গল্পৰ বেচিভাগ চৰিত্ৰই অতি সাধাৰণ শ্ৰেণীৰ, অভিজাত শ্ৰেণীৰ চৰিত্ৰ এখেতৰ গল্পত কম।

খ) এখেতৰ গল্পবোৰত মানুহৰ পাৰিবাৰিক জীৱনক বিশেষভাৱে প্ৰাধান্য দিয়া হৈছে।

গ) এখেতৰ গল্পবোৰ ৰাজনৈতিক মেৰমেচৰ পৰা মুক্ত।

ঘ) এখেতৰ গল্পত নাৰী চৰিত্ৰৰ প্ৰাধান্য বেছি। গল্পবোৰত নাৰীৰ বিভিন্ন দিশ প্ৰতিফলিত হোৱা দেখা গৈছে। গল্পকাৰৰ নাৰীৰ প্ৰতি সংবেদনশীল মনোভাৱ, প্ৰকাশ পাইছে। জটিল, কুটিল, চৰিত্ৰহীন, নাৰী চৰিত্ৰসমূহক গল্পবোৰৰ শেষত সংশোধনৰ পথ নিৰ্দেশ কৰা হৈছে।

ঙ) এখেতৰ গল্পত, মৌখিক সাহিত্য, সামাজিক লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু লোক পৰিৱেশ্য কলাৰ প্ৰভাৱ দেখা যায়।

চ) এখেতৰ গল্পত প্ৰগতিবাদী চিন্তা ধাৰাৰ লগতে অন্যায়ৰ বিৰুদ্ধে সৰৱ আৰু নীৰৱ প্ৰতিবাদ প্ৰতিধ্বনিত হৈছে।

ছ) এখেতৰ গল্পৰ চৰিত্ৰ আৰু কাহিনী বাস্তৱসন্মত। এখেতে বাস্তৱত লগ পোৱা মানুহবোৰেই গল্পসমূহৰ চৰিত্ৰ আৰু তেওঁলোকৰ পৰা শুনা জীৱন কাহিনীবোৰেই গল্পৰ কাহিনী।

স্নেহ দেৱীয়ে অসমীয়া সাহিত্যৰ এই জটিল সন্ধিক্ষণত সাহিত্য চৰ্চা কৰি অসমীয়া চুটিগল্পলৈ যি দান দি গল বা অসমীয়া সাহিত্য জগতত নিজৰ নাম খোদিত কৰি গল তাৰ বাবে তেওঁ প্ৰণিপাতৰ যোগ্য। কিন্তু দুখৰ বিষয় শশী থাৰু আৰু কে ডলিতাই সম্পাদনা কৰা 'Women Writings in India'ত বিভিন্ন মহিলাৰ নাম সন্নিৰিষ্ট হ'ল যদিও অসমীয়া গল্পকাৰ (মহিলা) স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, মামণি ৰয়চম গোস্বামী আদি কোনো এগৰাকীয়ে সেইখন পুথিত স্থান নাপালে। এয়া এক পৰিতাপৰ বিষয়।

অসমীয়া সাহিত্যৰ এক উল্লেখনীয় সন্ধিক্ষনত আত্ম প্ৰকাশ কৰা স্নেহদেৱীৰ গল্পই যিমান গুৰুত্ব পাব লাগিছিল সিমান গুৰুত্ব পোৱা দেখা নাযায়। অসমীয়া সাহিত্যৰ পাঠ্যক্ৰমত তেখেতৰ গল্প আগতে সন্নিবিষ্ট হৈছিল যদিও বৰ্তমানে পাঠ্যক্ৰম সমূহত তেওঁৰ গল্প দেখা নাযায়। সেয়ে লাহে লাহে তেখেতৰ লগত দূৰত্ব বাঢ়ি যোৱা যেন অনুভৱ হৈছে। সংকট কালত অসমীয়া সাহিত্যক সাৰ, পানী দি জীয়াই ৰখা সাহিত্যিক সকলৰ সাহিত্যসমূহকো জীয়াই ৰখা সকলোৰে কৰ্তব্য। বিশেষকৈ এগৰাকী মহিলা গল্পকাৰ হিচাপে তেওঁৰ লিখনিত প্ৰতিবিম্বিত হোৱা তদানীন্তন সমাজখনৰ অধ্যয়ন তথা গৱেষণাৰ প্ৰয়োজনীয়তা আছে।

অসমীয়া সাহিত্যত স্নেহদেৱীক জীয়াই ৰাখিবলৈ হ'লে তেওঁ ৰচনা কৰা সাহিত্যৰাজি তথা গল্পসমূহ অধ্যয়ন, চৰ্চা আৰু গৱেষণাইহে তেখেতক গুৰুত্ব দিয়া যেন অনুভৱ হ'ব। বৰ্তমানে যেনেকৈ তেখেতৰ সমসাময়িক গল্পকাৰসকলৰ গল্পৰ আলোচনা, গৱেষণা আদি হৈ আছে স্নেহদেৱীৰ গল্পৰ অধ্যয়ন কৰাও প্ৰয়োজনীয় বুলি অনুভৱ হয়। ইয়াৰোপৰি আজিৰ প্ৰজন্মই তেখেতক ভালদৰে জানিবলৈ পাঠ্যক্ৰম সমূহত তেওঁ ৰচিত কিছুমান গল্প সন্নিবিষ্ট কৰাৰো প্ৰয়োজনীয়তা আছে।

স্নেহদেৱীৰ গল্পৰ অইন কিছুমান দিশ আলোচনা তথা গৱেষণা কৰাৰ যথেষ্ট থল আছে। যেনে তেওঁ ৰচিত গল্পসমূহৰ আঙ্গিক বিচাৰ, তেখেতৰ গল্পত অইন গল্পকাৰৰ প্ৰভাৱ বা তুলনামূলক আলোচনা, তেখেতৰ গল্পৰ চৰিত্ৰ নিৰ্মাণ আদি বিষয় সমূহৰ কোনো আলোচনা হোৱা দেখা নাযায়। সেয়ে ভৱিষ্যত প্ৰজন্মই এই বিষয় সমূহক আলোচনা কৰাৰ থল নিশ্চয় থাকিব।

স্নেহদেৱীয়ে জীৱনযোৱা সাহিত্য সাধনাৰে অসমীয়া সাহিত্য, সংস্কৃতি আৰু জাতীয় জীৱন চহকী কৰাৰ লগতে অসমীয়া নাৰীৰ ঐতিহ্যমণ্ডিত সুদীৰ্ঘ ইতিহাস সমৃদ্ধিময় কৰি তুলিছে। তেওঁৰ সাধনাৰ বলতে অসমীয়া সাহিত্যত এখন যুগমীয়া আসনত নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছে। তেখেতৰ সাহিত্যকৃতি বিশেষকৈ অসমীয়া সাহিত্যলৈ আগবঢ়োৱা চুটিগল্পৰ এক বৃহৎ অৱদানে তেখেতক চিৰ যুগমীয়া কৰি ৰাখিব।

--------000--------